# অসম চৰকাৰ

# অসমৰ ৰাজ্যিক বিত্তীয় পৰিস্থিতি সন্দৰ্ভত শ্বেতপত্ৰ

## (২৪ মে’, ২০১৬ পৰ্যন্ত)

২০১৬ৰ ৩ জুনত সদনৰ মজিয়াত উপস্থাপিত

# সূচীপত্ৰ


১. পটভূমি

২. ৰাজ্যিক বিত্ত ঃ তথ্যসমৃদ্ধ প্ৰকৃত স্বৰূপ

২.১. বাজেটৰ আকাৰ বৃদ্ধি, কিন্তু পুঁজিৰ আগমন পাহৰণিৰ গৰ্ভত

২.২ পৰনিৰ্ভৰশীল লক্ষণসমূহে ৰাজ্যখনৰ কাম-কাজত স্থবিৰতা আনে

২.৩ ৰাজ্যৰ নিজা সম্পদৰ স্থবিৰতা

৩. চতুৰ্দশ বিত্ত আয়োগৰ সন্মুখত নিষ্প্ৰভ উপস্থাপনৰ বাবে ৰাজহ লোকচান (এফ এফ চি)

৪. ৰাজ্যিক বিত্তৰ সাম্প্ৰতিক পৰিস্থিতি— নিঃস্ব আৰু ৰিক্ত

৪.১. লেখানুদান বাজেট ২০১৬-১৭

৪.২. দাখিল কৰিবলৈ বাকী থকা ব্যৱহাৰিক প্ৰমাণ পত্ৰ

৪.৩ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশি

৫ সকলোধৰণৰ প্ৰতিকূলতা নেওচি সৃষ্টিৰ নতুন প্ৰয়াস

৬ ৰিষ্টাৰ্ট অসম (ReSTART Assam)

৭ লীপ্‌চ (**Lead EAPS**)

৮ খাৰুৱা তেলৰ ৰাহি ৰয়েল্টি আৰু নিৰ্দিষ্ট কৰা ভূমি কৰৰ দ্বাৰা সম্পদ আহৰণ

৯ সামৰণি

# অসমৰ ৰাজ্যিক বিত্তীয় পৰিস্থিতি সন্দৰ্ভত শ্বেতপত্ৰ

## ১. পটভূমি ঃ

১.১ অসমৰ জনসাধাৰণে প্ৰদান কৰা এক অভূতপূৰ্ব আৰু বৃহৎ জনাদেশৰ পিছত ২০১৬ চনৰ ২৪ মে'ত ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী উদ্যমী আৰু তেজস্বী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ উপস্থিতিত শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ গতিশীল নেতৃত্বত ৰাজ্যখনত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সকলো গুৰুত্বপূৰ্ণ মাননীয় সদস্য আৰু বিভিন্ন ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰীসকল উপস্থিত আছিল।

১.২ সাধাৰণ ৰাইজৰ আশা-আকাংক্ষাসমূহ কেৱল নিৰ্বাচনৰ সময়তেই প্ৰতিফলিত হোৱা নাছিল, লগতে শপতগ্ৰহণস্থলীত স্বতঃস্ফূৰ্তভাৱে সমবেত হোৱা পাৰ ভাঙি অহা বিশাল জনসমূদ্ৰৰ মাজেৰে প্ৰতিধ্বনিত হৈছিল, যেন শপতগ্ৰহণস্থলী উল্লাসত ফাটিহে পৰিছিল।

১.৩ অসমৰ ৰাইজৰ অদম্য উৎসাহ আৰু অকুণ্ঠ সমৰ্থনে স্বাভাৱিকতেই নতুন মন্ত্ৰী পৰিষদক ৰাজ্যখনৰ প্ৰতিগৰাকী নাগৰিকৰ প্ৰতি গভীৰ কৃতজ্ঞতাপূৰ্ণভাৱে জনসেৱাৰ প্ৰতি উচ্চ ভাৱধাৰা আৰু আনুগত্যৰ সংকল্পৰে সঞ্জীৱিত আৰু প্ৰাণৱন্ত কৰি তুলিছে। এই কথাকেই প্ৰকৃতভাৱে প্ৰতিফলিত কৰি অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱালদেৱ আৰু তেওঁৰ মন্ত্ৰী পৰিষদে সুপ্ৰশাসন প্ৰদানৰ বাবে কৰ্মক্ষেত্ৰত নামি পৰিছে।

১.৪ এইক্ষেত্ৰত নতুন চৰকাৰে উপলব্ধি কৰিছে যে প্ৰশাসন আৰু উন্নয়নৰ মূল ভেঁটিস্বৰূপ ৰাজ্যৰ বিত্তীয় অৱস্থা ধূসৰ, স্থবিৰ আৰু হতাশজনক। ৰাজ্যৰ মন্ত্ৰীসভাই লগতে অনুভৱ কৰে যে নতুন চৰকাৰখনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত ৰাজহুৱা বিত্তীয় অৱস্থাৰ প্ৰকৃত ছবিখন ৰাজ্যৰ প্ৰতিগৰাকী নাগৰিককে অৱগত কৰাটো চৰকাৰৰ প্ৰাথমিক কৰ্তব্য। স্বচ্ছতা, দায়বদ্ধতা আৰু 'নাগৰিকেই প্ৰথম' ধাৰণা বৰ্তাই ৰাখিবলৈ নতুন চৰকাৰখনে নিজৰ বাবে স্থিৰ কৰা উচ্চ মান আৰু মহৎ আদৰ্শৰাজিৰ লগত সংগতি ৰাখিও এনে পদক্ষেপ লোৱা হ'ব।

১.৫ **এসময়ত আমি কি আছিলো** আৰু **আজি আমি ক'ত আছো** — এই কথা অধ্যয়ন কৰিলে ৰাজ্যখনৰ যুৱ প্ৰজন্মই সম্ভৱতঃ বিশ্বাস কৰিবলৈ টান পাব। ব্ৰিটিছশাসিত ভাৰতত অসম আছিল এখন অন্যতম সৰ্বোচ্চ ৰাজহ প্ৰদানকাৰী ৰাজ্য আৰু স্বাধীনতা প্ৰাপ্তিৰ সময়ত ভাৰতৰ আটাইতকৈ সমৃদ্ধিশালী ৰাজ্যসমূহৰ ভিতৰত ইয়াৰ স্থান আছিল পঞ্চম। আনকি ১৯৫০-৫১ বিত্তীয় বৰ্ষতো অসমৰ জনমূৰি আয় আছিল ৰাষ্ট্ৰীয় গড়তকৈ ৪% বেছি (পৰিকল্পনা আয়োগ, ২০০২)। এতিয়া, স্বাধীনতাৰ প্ৰায় ৬৮ বছৰৰ পাছত আমি ভাৰতবৰ্ষৰ চতুৰ্থ দৰিদ্ৰতম ৰাজ্য। ৰাজ্যখনৰ সকলোবোৰ সামাজিক আৰু অৰ্থনৈতিক সূচ্যাংক ব্যৰ্থ হৈছে আৰু ই ৰাজ্যখনৰ স্থান নিম্নতৰ পৰ্যায়লৈ অৱনমিত কৰিছে। নিবনুৱা সমস্যা, দৰিদ্ৰতা, পুষ্টিহীনতা, স্বাস্থ্যৰ মৌলিক সা-সুবিধাৰ অভাৱ, খোৱাপানী, অনাময় আৰু অন্যান্য মৌলিক সা-সুবিধাৰ অভাৱ; খোৱাপানী, অনাময় আৰু অন্যান্য সমস্যাবোৰ অতীতৰ তুলনাত আজি ৰাজ্যখনত বেছিকৈ উচ্চাৰিত হোৱা পৰিলক্ষিত হৈছে।

১.৬ ওপৰৰ পটভূমিত ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ প্ৰকৃত ছবিখন দাঙি ধৰাৰ অৰ্থে এই শ্বেতপত্ৰখন (২৪ মে', ২০১৬ পৰ্যন্ত) প্ৰকাশ কৰা হৈছে, যাতে ৰাজ্যখনত উন্নয়নৰ এক নতুন দিনৰ সূচনা কৰিবলৈ আৰু 'সকলোৰে সৈতে সকলোৰে বিকাশ' (চব্‌কা চাথ চব্‌কা বিকাচ)ৰ প্ৰকৃত ভাৱনাৰে ৰাজ্যখনৰ হেৰোৱা গৌৰৱ পুনৰুদ্ধাৰ কৰিবলৈ নতুন চৰকাৰখনে সমাজৰ প্ৰতিগৰাকী লোকৰে পৰা উপদেশ, অবিৰত সমৰ্থন আৰু সুনিৰ্দেশনা লাভ কৰিব পাৰে।

১.৭ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত দীৰ্ঘম্যাদী ইতিবাচক ফলাফল লাভ কৰিব পৰাকৈ প্ৰতিষ্ঠানিক ব্যৱস্থাটো সবল কৰাৰ অৰ্থে এক উদ্ভাৱনমূলক আৰু বিচক্ষণ কৌশল ৰচনা কৰিবলৈ ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতিৰ প্ৰকৃত

ছবিখন দাঙি ধৰা আৰু তাক গ্ৰহণ কৰাৰ ই এক সৎ প্ৰয়াস। সেয়েহে এই কথা বিশ্বাস কৰা হৈছে যে এই প্ৰত্যাহ্বানমূলক যাত্ৰাৰ লগত জড়িত প্ৰতিগৰাকী লোকৰ প্ৰকৃত আৰু কঠিন আত্মানুসন্ধানেই হৈছে সময়ৰ দাবী।

**১.৮** এই ক্ষেত্ৰত নতুন চৰকাৰখন সম্পূৰ্ণ সতৰ্ক যাতে ৰাজহুৱা বিত্তৰ দুৰ্বোধ্যতাৰে ভৰপূৰ এক শৈক্ষিক অনুশীলনৰ পৰিৱৰ্তে এই শ্বেতপত্ৰখনে প্ৰশাসন আৰু নাগৰিকৰ বাবে ব্যৱহাৰিক প্ৰাসংগিকতা থকা, সহজে বোধগম্য পৰিসংখ্যাৰে সৈতে ৰাজ্যৰ বিত্তীয় অৱস্থাৰ সৰল ছবি এখন দাঙি ধৰে। সেই অনুসৰি এই শ্বেতপত্ৰখনে বাজেট প্ৰস্তুতি, ব্যয় হোৱা ধন, খৰচৰ ধৰণ, আভ্যন্তৰীণ ৰাজহকে ধৰি সম্পদ সৃষ্টি আৰু নতুন চৰকাৰখনে যাত্ৰা আৰম্ভ কৰা সময়ৰ সাম্প্ৰতিক স্থিতিৰ এক আভাস দাঙি ধৰিছে।

## ২. ৰাজ্যিক বিত্ত ঃ তথ্যসমৃদ্ধ প্ৰকৃত স্বৰূপ

**২.১.** বাজেটৰ আকাৰ বৃদ্ধি, কিন্তু পুঁজিৰ আগমন পাহৰণিৰ গৰ্ভত।

**২.১.১** বছৰি বছৰি ৰাজ্যখনৰ বাজেটৰ আকাৰ বৃদ্ধি পাইছে। যোৱা পাঁচ বছৰৰ ধনৰাশিয়ে এইটোৱে সূচায় যে বাজেটৰ আকাৰ ২০১১-১২ বৰ্ষৰ ৩৮,৫৬২ কোটি টকাৰ পৰা ২০১৫-১৬ বৰ্ষত ৭২৫৭২ কোটি টকালৈ বৃদ্ধি হৈ প্ৰায় দুগুণ হৈছে (তালিকা-১) আৰু এই বৃদ্ধিৰ পৰিমাণ হৈছে ৮৮% । কিন্তু এইক্ষেত্ৰত উত্থাপিত প্ৰশ্নসমূহ পোনপটীয়া আৰু স্পষ্ট। প্ৰথম প্ৰশ্নটো হ'ল বাজেটত দিয়া প্ৰতিশ্ৰুতি মৰ্মে ধন মুকলি কৰি দিয়া হৈছেনে? দ্বিতীয় প্ৰশ্নটো হ'ল যিখিনি ধন মুকলি কৰি দিয়া হৈছে, সেই ধন কেনে ধৰণে খৰছ কৰা হৈছে?

তালিকা - ১ ঃ ২০১১-১২ ৰ পৰা ২০১৫-১৬ বিত্তীয় বৰ্ষলৈ অসম চৰকাৰৰ মুঠ বাজেটৰ আকাৰ

(কোটি টকাৰ হিচাপত)

| বৰ্ষ | পৰিকল্পনা | পৰিকল্পনা বহিৰ্ভূত | মুঠ | বৃদ্ধিৰ হাৰ |
|---|---|---|---|---|
| ২০১১-১২ | ১৪৮২১.৫৯ | ২৩৭৪১.২৯ | ৩৮৫৬২.৮৮ | ২.২৩ |
| ২০১২-১৩ | ১৭০৮৪.১৫ | ২৭৫৬৫.০১ | ৪৪৬৪৯.০০ | ১৫.৭৮ |
| ২০১৩-১৪ | ২১০০০.৮১ | ৩২১৬০.৯৮ | ৫৩১৬১.৭৯ | ১৯.০৬ |
| ২০১৪-১৫ | ২৯৫২৭.২৮ | ৩৫৫০২.৬৭ | ৬৫০২৯.৯৫ | ২২.৩২ |
| ২০১৫-১৬ | ৩০৮৮৭.৩১ | ৪১৬৮৫.৫৭ | ৭২৫৭২.৮৮ | ১১.৬০ |

(উৎস ঃ অনুমোদিত বাজেটৰ নথি)

**২.১.২** এই প্ৰশ্নসমূহৰ উত্তৰ একেবাৰে পোন আৰু সৰল। যিকোনো লোকে এইটো তৎক্ষনাত উপলব্ধি কৰিব পাৰে যে বাজেটৰ আকাৰ বৃদ্ধি হোৱাটো কৃত্ৰিম আছিল কিয়নো ব্যয়ৰ পৰিমাণ বহুত কম আছিল। তালিকা নং ২ অনুসৰি আনকি ই ২০১৫-১৬ বৰ্ষত ৫০% ৰ তললৈ লৈ হ্ৰাস পাইছিল। অৰ্থাৎ এইটো দেখা যায় যে সমগ্ৰ বাজেট প্ৰস্তুতিৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটো নিষ্ঠাহীন কাম-কাজলৈহে পৰ্যবসিত হৈছিল আৰু দেখাতহে বাজেটখনৰ আকাৰ অতি বৃহৎ বুলি দেখুৱাটো মূল উদ্দেশ্য আছিল।

তালিকা ২ ঃ ২০১১-১২ ৰ পৰা ২০১৫-১৬ বিত্তীয় বৰ্ষলৈ বাজেটত ধাৰ্য কৰা ধনৰ প্ৰকৃত ব্যয়
(কোটি টকাৰ হিচাপত)

| বৰ্ষ | পৰিকল্পনা বাজেট | পৰিকল্পনা ব্যয় | ব্যয়ৰ হাৰ | পৰিকল্পনা বহিৰ্ভুত বাজেট | পৰিকল্পনা বহিৰ্ভুত ব্যয় | ব্যয়ৰ হাৰ | মুঠ বাজেট | মুঠ ব্যয় | ব্যয়ৰ হাৰ |
|---|---|---|---|---|---|---|---|---|---|
| ২০১১-১২ | ১৪৮২১.৫৯ | ৮৯৯৭.৫০ | ৬০.৭০ | ২৩৭৪১.২৯ | ২১২৭১.৪১ | ৮৯.৬০ | ৩৮৫৬২.৮৮ | ৩০২৬৮.৯২ | ৭৮.৪৯ |
| ২০১২-১৩ | ১৭০৮৪.১৫ | ৯১০৪.১১ | ৫৩.২৯ | ২৭৫৬৫.০১ | ২৪৬৪৩.৫১ | ৮৯.৪০ | ৪৪৬৪৯.১৬ | ৩৩৭৪৭.৬৩ | ৬৯.৯৩ |
| ২০১৩-১৪ | ২১০০০.৮ | ১০৪৩২.২৪ | ৪৯.৬৮ | ৩২১৬০.৯৮ | ২৬৭৪৬.১৫ | ৮৩.১৬ | ৫৩১৬১.৮ | ৩৭১৭৮.৩৯ | ৬৯.৯৩ |
| ২০১৪-১৫ | ২৯৫২৭.৩ | ১৩৪৪৯.৮১ | ৪৫.৫৫ | ৩৫৫০২.৬৭ | ৩৩৩৬১.৫৬ | ৯৩.৯৭ | ৬৫০৩০.০ | ৪৬৮১১.৩৭ | ৭১.৯৮ |
| ২০১৫-১৬ | ৩০৮৮৭.৩ | ১১১৬৩.২৫ | ৩৬.১৪ | ৪১৬৮৫.৫৭ | ২৪৯৭৯.৭১ | ৫৯.৯২ | ৭২৫৭২.৯ | ৩৬১৪২.৯৬ | ৪৯.৮০ |

উৎস ঃ মহাগাণণিকৰ বিত্তীয় গণনা আৰু CTMIS

**২.১.৩ বাজেটৰ বিত্তীয় সম্পৰ্কীয় যোগান ব্যৱস্থাক গুৰুত্ব দিয়া হোৱা নাছিল ঃ**

ওপৰত উল্লিখিত অতি নিম্ন ব্যয় অৱস্থাৰ প্ৰধান কাৰণটো হ'ল বাজেটৰ উপযুক্ত বিত্ত যোগানৰ অভাৱ। এইটো দেখা যায় যে আগৰ চৰকাৰখনে বাজেটলৈ পুঁজি যোগানৰ প্ৰয়োজনীয়তা দীৰ্ঘসময় ধৰি সম্পূৰ্ণকৈ অৱজ্ঞা কৰিছিল। এইটো নিশ্চিত, পুঁজিৰ যোগানৰ ব্যৱস্থা নথকা বাজেট হৈছে অসাৰ কুচ-কাৱাজ।

**২.১.৪** আভ্যন্তৰীণ সম্পদ সৃষ্টিত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল আৰু বাজেট সম্বন্ধীয় ব্যৱস্থাসমূহ পূৰণ কৰিবলৈ ৰাজ্যখনত পৰ্যাপ্ত পুঁজি নাছিল। আনকি তথ্যপাতিয়ে এইটো দৰ্শায় যে ৰাজহ উপাৰ্জনকাৰী বিভাগসমূহৰ সৈতে উচ্চ পৰ্যায়ত নিয়মীয়া ভিত্তিত নিৰ্দিষ্ট সময়ত আৰু সঘনে পৰ্যালোচনা কৰা হোৱা নাছিল। দ্বিতীয়তে ব্যয় কৰা পুঁজিখিনি যুক্তিসংগত নাছিল আৰু সৰহভাগ খৰছ হৈছিল পৰিকল্পনা বহিৰ্ভূত আৰু জনপ্ৰিয় আঁচনিসমূহত।

**২.১.৫** এইটোও দেখা গৈছে যে কেন্দ্ৰীয় চৰকাৰে ২০১৩-১৪ বৰ্ষৰ পৰা ৰাজ্যিক ৰাজকোষৰ জৰিয়তে কিছুমান ধ্বজাবাহী আঁচনিৰ পুঁজি মুকলি কৰি দিয়া আৰম্ভ কৰিছিল কিন্তু তাৰ আগতে এই পুঁজি ৰাজ্যিক অভিযানসমূহলৈ মুকলি কৰি দিয়া হৈছিল। প্ৰকৃত সত্যটো হ'ল সচৰাচৰ বাজেটৰ এনেধৰণৰ বৃহৎ আকাৰ বৃদ্ধিয়ে অসমৰ দৰে ভৌগোলিক আকাৰ, জনসংখ্যা, চহকী সংস্কৃতি, শিক্ষাৰ উচ্চ হাৰ, তুলনামূলকভাৱে শান্তিপূৰ্ণ সমাজ, উঠি অহা উদ্যমী যুৱক-যুৱতীসকলৰে গঠিত ৰাজ্য এখনৰ উল্লেখযোগ্য বিকাশ সাধন হ'ব লাগিছিল কিন্তু এইটো হৈ উঠা নাছিল।

**২.১.৬** সেই একে সময়ছোৱাত বাজেটৰ আকাৰ অনুসৰি জনমুৰি আয়ৰ বিকাশ আনুপাতিকভাৱে বৃদ্ধি হোৱা নাই। ই ৰাষ্ট্ৰীয় হাৰতকৈ বহু পিছ পৰি আছে। ৰাজ্যখনৰ জনমুৰি আয়ৰ পৰিমাণ তালিকা-৩ ত দেখুওৱা হ'ল।

তালিকা- ৩ ঃ ২০১১-১২ ৰ পৰা ২০১৫-১৬ বৰ্ষলৈকে অসমৰ জনমুৰি আয় (টকাৰ হিচাপত)

| বৰ্ষ | বৰ্তমানৰ মূল্যত জনমুৰি আয় (টকাত) | |
|---|---|---|
| | অসম | ভাৰত |
| ২০১১-১২ | ৩৬৩২০ | ৬১৮৫৫ |
| ২০১২-১৩ | ৩৮৯৪৫ | ৬৭৮৩৯ |
| ২০১৩-১৪ | ৪৪২৬৩ | ৭৪৩৮০ |
| ২০১৪-১৫ | ৪৯৪৮০ | ৮৮৫৩৩* |
| ২০১৫-১৬ | প্ৰকাশ হোৱা নাই | |

উৎস ঃ অৰ্থনৈতিক জৰীপ, অসম ২০১৪-১৫ আৰু * অৰ্থনৈতিক জৰীপ, ভাৰত ২০১৪-১৫

**২.১.৭** তদুপৰি মূলধনী ব্যয়ৰ গুৰুত্বপূৰ্ণ খণ্ডসমূহক অবহেলা কৰা হৈছিল আৰু পথ, শক্তি, জলসিঞ্চন, ইত্যাদিৰ লেখীয়া গুৰুত্বপূৰ্ণ খণ্ডসমূহৰ আন্তঃগাঁথনিৰ ওপৰত যথেষ্ট কম গুৰুত্ব প্ৰদান কৰা হৈছিল। বিগত ১৫ বছৰত কাৰ্বি-লাংপিৰ বাহিৰে বিদ্যুৎ উৎপাদনৰ বাবে কোনো নতুন সামৰ্থ্য বৃদ্ধিৰ ব্যৱস্থা নকৰাটো পৰিলক্ষিত হৈছে। জলসিঞ্চনৰ ক্ষেত্ৰত বৃহৎ আৰু মজলীয়া জলসিঞ্চন প্ৰকল্প আৰু ৱাটাৰ গ্ৰীড ইত্যাদিৰ লেখীয়া উদ্ভাৱনীমূলক আধুনিক ব্যৱস্থাৰ জৰিয়তে ব্যাপক পৰ্যায়ত কৃষকসকললৈ পানীযোগানৰ দৰে গুৰুত্বপূৰ্ণ কাম-কাজ হাতত লোৱা নাছিল। তদুপৰি চৰকাৰখনে ব্যয়ৰ অপচয় নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হোৱা নাছিল আৰু মূল্যৱান ৰাজহুৱা ধন অপচয় কৰিছিল অফলপ্ৰসূ পৰিকল্পনা বহিৰ্ভূত ব্যয়ত। দৰমহা আৰু পেঞ্চনৰ শিতানত সৰ্বাধিক ধন ব্যয় হৈছিল আৰু বাকী থকা ধনখিনি মূলতঃ ৰাজনৈতিক মুনাফা অৰ্জনৰ অৰ্থে প্ৰধানতঃ অনুৎপাদনশীল আৰু অপচয়মূলক কামত খৰছ কৰিছিল।

তালিকা-৪ দৰমহা আৰু পেঞ্চনৰ সঠিক ব্যয়ৰ হিচাপ ২০১১-১২ৰ পৰা ২০১৫-১৬ বৰ্ষলৈকে

| বৰ্ষ | দৰমহা | পেঞ্চন | মুঠ | মন্তব্য |
|---|---|---|---|---|
| ২০১১-১২ | ১০২১০.০০ | ৩১৩৬.০০ | ১৩৩৪৬.০০ | পৰিকল্পনা, পৰিকল্পনা বহিৰ্ভূত আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত আঁচনিৰ দৰমহা |
| ২০১২-১৩ | ১১৬৩৬.০০ | ৩৭৭৯.০০ | ১৫৪১৫.০০ | |
| ২০১৩-১৪ | ১৫৬১৮.৮১ | ৪২৬৪.১৩ | ১৯৮৮২.৯৪ | |
| ২০১৪-১৫ | ১৭৫৮২.১৮ | ৫২৩৭.০২ | ২২৮১৯.২০ | |
| ২০১৫-১৬ | ১৯৮০২.৬২ | ৬৪০৭.১৭ | ২৬২০৯.৭৯ | |

উৎস ঃ মহাগাণনিকৰ বিত্তীয় গণনা আৰু CTMIS

**২.১.৮** বিচক্ষণ ৰাজহুৱা বিত্তীয় নীতিসমূহে বিকাশ আৰু উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ খণ্ডসমূহত তাকৰীয়া সম্পদৰ বিবেচনাপূৰ্ণ আৱণ্টন দিয়াৰ প্ৰয়োজনীয়তাক দোহাৰে। কিন্তু এইটো দেখা গৈছে যে সেই সময়ছোৱাত চৰকাৰখনে কিছুমান গুৰুত্বহীন খণ্ডত অধিক অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। সেয়েহে বিকাশ বৃদ্ধি কৰা খণ্ডসমূহক গতিশীলতা দিব পৰা নাই।

## ২.২ পৰনিৰ্ভৰশীল লক্ষণসমূহে ৰাজ্যখনৰ কাম-কাজত স্থবিৰতা আনে

**২.২.১** অসম হ'ল বিত্তীয় সম্পদৰ ক্ষেত্ৰত পিছপৰা ৰাজ্য। ৰাজ্যখনে ব্যক্তিগত বিনিয়োগ আকৰ্ষিত কৰাত বিশেষ একো কৰিব পৰা নাই। ৰাজ্যখনত সেৱা খণ্ডৰ বিকাশ হ'ল অতি নিম্ন। অন্যান্য বিকাশমুখী ৰাজ্যসমূহত ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবি দেখা যায়। তেল, কয়লা, বন আৰু চাহৰ লেখীয়া ৰাজ্যখনৰ চহকী সম্পদসমূহ কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকাৰ বিপৰীতে ৰাজ্যখনে বছৰি বানপানী আৰু মাজে সময়ে আইন-শৃংখলাজনিত সমস্যাৰ সন্মুখীন হ'ব লগা হয়। সেয়েহে ৰাজ্যখনে কেন্দ্ৰীয় চৰকাৰৰ পৰা বিশেষ সহায় পোৱাৰ বাবে বিবেচিত হোৱাৰ যোগ্য। এইটোৱে অৱশ্যে ইয়াকে নুসূচায় যে ৰাজ্যখনৰ আভ্যন্তৰীণ সম্ভাৱনীয়তাক ইয়াৰ সীমিত সামৰ্থ্য আৰু সম্পদৰাজিৰ পৰিপ্ৰেক্ষিতত আভ্যন্তৰীণ সম্পদ বৃদ্ধিকৰণ, বিনিয়োগ আকৰ্ষণ আৰু ইয়াৰ মূল সামৰ্থ্যৰ ওপৰত ভিত্তি কৰি উন্নয়ন গঢ়ি তোলা প্ৰচেষ্টা নস্যাৎ কৰা হওক । দৰাচলতে বিগত ১৫ টা বছৰত পূৰ্বৰ চৰকাৰখনে উন্নয়ন আৰু বহনক্ষম আভ্যন্তৰীণ শক্তিৰ প্ৰয়োজনীয়তাও সদায়ে অৱজ্ঞা কৰিছে। ইয়ে 'দানে মৰ্যাদা হানি কৰে' নামৰ খণ্ডবাক্যটোলৈ মনত পেলাই দিয়ে।

**২.২.২** সুদীৰ্ঘ পোন্ধৰ বছৰ কাল ধৰি অবিবেচক আৰু অমিতব্যয়ী ৰাজহুৱা বিত্তীয় পৰিচালনা ব্যৱস্থাৰ দ্বাৰা ৰাজ্যখনত এক কাৰ্যক্ষম অৱস্থাৰ মৌলিক বৈশিষ্ট্যসমূহৰ যথেষ্ট অৱক্ষয় ঘটিছে। যিসময়ত কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্যাপ্ত পুঁজি লাভ কৰা হৈছিল, তেনেসময়ত স্বচ্ছতা, দায়বদ্ধতা আৰু সহাঁৰিশীলতা নীতিৰ আধাৰত প্ৰশাসনিক সংস্কাৰৰ লেখীয়া পদ্ধতিগত উন্নীতকৰণৰ জৰিয়তে আভ্যন্তৰীণ ৰাজহ সৃষ্টিৰ বাবে ৰাজ্য

চৰকাৰখনে এক গুৰুত্বপূৰ্ণ আৰু সুস্থিৰ ভেঁটি গঢ়ি তোলা উচিত আছিল। এইক্ষেত্ৰত আধুনিক তথ্য-প্ৰযুক্তিসমৃদ্ধ ব্যৱস্থাৰ পৰ্যাপ্ত সহায় ল'ব পৰা গ'লহেতেন।

**২.৩ ৰাজ্যৰ নিজা সম্পদৰ স্থবিৰতা**

**২.৩.১** তেলৰ ৰয়েল্টিৰ উপৰি ৰাজ্যৰ নিজা সম্পদৰ উল্লেখযোগ্য উৎসসমূহ হ'ল মূল্য সংযোজিত কৰ আৰু কৰাৰোপন বিভাগ, আৱকাৰী, যান-বাহন কৰ, বন আৰু লঘু খনিজ সম্পদসমূহৰ জৰিয়তে সংগৃহীত কৰসমূহ।

**২.৩.২** অতীতত ৰাজহ সৃষ্টিৰ ক্ষেত্ৰত ২০ শতাংশতকৈও অধিক বৃদ্ধিৰ উদাহৰণো আছে। কিন্তু, বিগত পাঁচ বছৰত ৰাজ্যৰ ৰাজকোষলৈ অহা আভ্যন্তৰীণ ৰাজহৰ বৃদ্ধি কাৰ্যতঃ স্থৱিৰ হৈ পৰিছে।

**২.৩.৩** মন কৰিবলগীয়া তাতোতকৈও পৰিতাপৰ কথা এইটোৱেই যে ২০১২-১৩ বিত্তীয় বৰ্ষৰ পৰা বিগত চাৰি বছৰত ৰাজহ বৃদ্ধিৰ পৰিমাণ আছিল নগণ্য। আনকি এই সময়ছোৱাৰ আগৰ ২০০৭-০৮ আৰু ২০১০-১১ বিত্তীয় বৰ্যত ৰাজহ বৃদ্ধিৰ হাৰ আছিল একক সংখ্যাবিশিষ্ট। সেই সময়তে ইয়াৰ পদ্ধতিগত শুধৰণিৰ বাবে চৰকাৰে জৰুৰী প্ৰচেষ্টা হাতত ল'ব পাৰিলেহেতেন। দেখা যায় যে এই বাবেই ৰাজহ উপাৰ্জনকাৰী বিভাগসমূহত সাধাৰণ শিথিলতাই গা কৰি উঠিছিল, যাৰ ফলত বিগত চাৰি বছৰত ৰাজহ উপাৰ্জনৰ ক্ষেত্ৰত বিভাগসমূহৰ প্ৰদৰ্শন তেনেই নিস্প্ৰভ আছিল।

**২.৩.৪** তলত উল্লেখিত ৫ নং তালিকাত প্ৰদৰ্শন কৰা পৰিসংখ্যাই ৰাজহ অৰ্জনকাৰী বিভাগসমূহৰ দুৰ্বল প্ৰশাসনৰ বিষয়ে দাঙি ধৰিছে।

**২.৩.৫** তদুপৰি, আমোদজনক কথা এয়া যে কেন্দ্ৰৰ পৰা লাভ কৰা পুজিৰ পৰিমাণ ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে আৰু এইদৰে, ৰাজ্যিক বাজেটখন কেন্দ্ৰীয় পুঁজিৰ ওপৰত যথেষ্ট নিৰ্ভৰশীল হৈ পৰিছে, য'ত তালিকা নং ৬ ত দেখুওৱা ধৰণে ৰাজ্যৰ নিজা সম্পদৰ অনুপাত হ্ৰাস পাইছে।

তালিকা নং ৫ ৰাজ্যৰ নিজা সম্পদৰ বৃদ্ধিৰ ধাৰা (কোটি টকাৰ হিচাপত টকা)

| **বছৰ** | **ৰাজ্যৰ নিজস্ব ৰাজহ** | | | |
|---|---|---|---|---|
| | ৰাজহ কৰ | কৰ বিহীন ৰাজহ | মুঠ | পূৰ্বৱৰ্তী বৰ্যতকৈ বৃদ্ধিৰ হাৰ |
| ১৯৯৬-৯৭ | ৭৬৬.৯০ | ৩২২.১৩ | ১০৮৯.০৩ | |
| ১৯৯৭-৯৮ | ৮৮১.৯৪ | ৩৮১.২১ | ১২৬৩.১৫ | ১৫.৯৯ |
| ১৯৯৮-৯৯ | ৯৮২.৫৬ | ৪৫১.৯৮ | ১৪৩৪.৫৪ | ১৩.৫৭ |
| ১৯৯৯-০০ | ১২২৪.৭৬ | ৪৪৪.৯২ | ১৬৬৯.৬৮ | ১৬.৩৯ |
| ২০০০-০১ | ১৪০৯.৬৯ | ৫২৬.৭৭ | ১৯৩৬.৪৬ | ১৫.৯৮ |
| ২০০১-০২ | ১৫৫৬.৯৮ | ৫৩৩.২০ | ২০৯০.১৮ | ৭.৯৪ |
| ২০০২-০৩ | ১৯৩৪.৫২ | ৬৯২.৯৭ | ২৬২৭.৪৯ | **২৫.৭১** |
| ২০০৩-০৪ | ২০৭০.৩২ | ৯৪৫.৮০ | ৩০১৬.১২ | ১৪.৭৯ |
| ২০০৪-০৫ | ২৭১৩.৩২ | ১০৭০.০৩ | ৩৭৮৩.৩৫ | **২৫.৪৪** |
| ২০০৫-০৬ | ৩২৩২.২১ | ১৪৫৯.২৮ | ৪৬৯১.৪৯ | **২৪.০০** |
| ২০০৬-০৭ | ৩৪৮৩.৩২ | ১৮৫৯.২৭ | ৫৩৪২.৫৯ | ১৩.৮৮ |
| ২০০৭-০৮ | ৩৩৫৯.৫০ | ২১৩৪.৫৯ | ৫৪৯৪.০৯ | ২.৮৪ |
| ২০০৮-০৯ | ৪১৫০.২১ | ২২৭১.৯০ | ৬৪২২.১১ | ১৬.৮৯ |
| ২০০৯-১০ | ৪৯৮৬.৭২ | ২৭৫২.৯৪ | ৭৭৩৯.৬৬ | **২০.৫২** |
| ২০১০-১১ | ৫৯২৯.৮৫ | ২৩৭৩.৩৩ | ৮৩০৩.১৮ | ৭.২৮ |

| | | | | |
|---|---|---|---|---|
| ২০১১-১২ | ৭৬৩৮.২৪ | ২৮৬৬.৭৬ | ১০৫০৫.০০ | **২৬.৫২** |
| ২০১২-১৩ | ৮২৫০.২১ | ২৪৭৩.৫৯ | ১০৭২৩.৮০ | ২.০৮ |
| ২০১৩-১৪ | ৮৯৯৪.৯২ | ২৭০৫.০৩ | ১১৬৯৯.৯৫ | ৯.১০ |
| ২০১৪-১৫ | ৯৪৪৯.৮১ | ২৪১২.৮৯ | ১১৮৬২.৭০ | ১.৩৯ |
| ২০১৫-১৬ | ১০০৭৭.২৬ | ২১৮৮.০৯ | ১২২৬৫.৩৫ | ৩.৩৯ |

উৎস ঃ মহাগাণনিকৰ বিত্তীয় গণনা আৰু CTMIS

**২.৩.৬** যদি আমি ৰাজহ আহৰণৰ গুৰুত্বপূৰ্ণ উৎসসমূহৰ বিতং তথ্য পৰীক্ষা কৰি চাওঁ, তেতিয়া দেখিম যে বিগত কেইটামান বছৰত ৰাজ্যিক আৰকাৰী বিভাগ, যান-বাহন কৰ, বন বিভাগ ইত্যাদিৰ লেখীয়া উৎসসমূহে প্ৰয়োজনীয় বৃদ্ধি প্ৰদৰ্শন কৰিবলৈ দুখ লগাকৈ ব্যৰ্থ হৈছে।

তালিকা নং ৬ ঃ মুঠ ৰাজহৰ অনুপাতে ৰাজ্যৰ নিজস্ব ৰাজহ (কোটি টকাৰ হিচাপত)

| বৰ্ষ | ৰাজ্যৰ নিজা ৰাজহ | কেন্দ্ৰৰ পৰা হস্তান্তৰিত | সৰ্বমুঠ প্ৰাপ্তি | মুঠ ৰাজহৰ অনুপাতে ৰাজ্যৰ নিজস্ব ৰাজহ | মুঠ ৰাজহৰ অনুপাতে ৰাজ্যৰ কেন্দ্ৰৰ হস্তান্তৰ |
|---|---|---|---|---|---|
| ১৯৯৬-৯৭ | ১০৮৯.০৩ | ২৭৬৬.৭৮ | ৩৮৫৫.৮১ | ২৮.২৪% | ৭১.৭৬% |
| ১৯৯৭-৯৮ | ১২৬৩.১৫ | ৩০৬২.৫১ | ৪৩২৫.৬৬ | ২৯.২০% | ৭০.৮০% |
| ১৯৯৮-৯৯ | ১৪৩৪.৫৪ | ৩০৭২.০০ | ৪৫০৬.৫৪ | ৩১.৮৩% | ৬৮.১৭% |
| ১৯৯৯-০০ | ১৬৬৯.৬৮ | ৩১৭১.২৬ | ৪৮৪০.৯৪ | ৩৪.৪৯% | ৬৫.৫১% |
| ২০০০-০১ | ১৯৩৬.৪৬ | ৩৭০১.১৮ | ৫৬৩৭.৬৪ | ৩৪.৩৫% | ৬৫.৬৫% |
| ২০০১-০২ | ২০৯০.১৮ | ৩৮৭৪.৬৮ | ৫৯৬৪.৮৬ | ৩৫.০৪% | ৬৪.৯৬% |
| ২০০২-০৩ | ২৬২৭.৪৯ | ৪১৬৫.৮৬ | ৬৭৯৩.৩৫ | ৩৮.৬৮% | ৬১.৩২% |
| ২০০৩-০৪ | ৩০১৬.১২ | ৪৭৪৮.৯৮ | ৭৭৬৫.১০ | ৩৮.৮৪% | ৬১.১৬% |
| ২০০৪-০৫ | ৩৭৮৩.৩৫ | ৬১৫৩.৯২ | ৯৯৩৭.২৭ | ৩৮.০৭% | ৬১.৯৩% |
| ২০০৫-০৬ | ৪৬৯১.৪৯ | ৭৩৫৩.৯০ | ১২০৪৫.৩৯ | ৩৮.৯৫% | ৬১.০৫% |
| ২০০৬-০৭ | ৫৩৪২.৫৯ | ৮৩২৪.৩৬ | ১৩৬৬৬.৯৫ | ৩৯.০৯% | ৬০.৯১% |
| ২০০৭-০৮ | ৫৪৯৪.০৯ | ৯৮৩০.৮৪ | ১৫৩২৪.৯৩ | ৩৫.৮৫% | ৬৪.১৫% |
| ২০০৮-০৯ | ৬৪২২.১১ | ১১৬৫৪.৯৩ | ১৮০৭৭.০৪ | ৩৫.৫৩% | ৬৪.৪৭% |
| ২০০৯-১০ | ৭৭৩৯.৬৬ | ১২১৪৪.৮৩ | ১৯৮৮৪.৪৯ | ৩৮.৯২% | ৬১.০৮% |
| ২০১০-১১ | ৮৩০৩.১৮ | ১৪৭০১.৭৬ | ২৩০০৪.৯৪ | ৩৬.০৯% | ৬৩.৯১% |
| ২০১১-১২ | ১০৫০৫.০০ | ১৬৯৫০.৪০ | ২৭৪৫৫.৪০ | ৩৮.২৬% | ৬১.৭৪% |
| ২০১২-১৩ | ১০৭২৩.৮০ | ১৯৯৬৭.১৮ | ৩০৬৯০.৯৮ | ৩৪.৯৪% | ৬৫.০৬% |
| ২০১৩-১৪ | ১১৬৯৯.৯৬ | ২০৫১২.৮৩ | ৩২২১২.৭৯ | ৩৬.৩২% | ৬৩.৬৮% |
| ২০১৪-১৫ | ১১৮৬২.৭০ | ২৬৩১৮.৭৯ | ৩৮১৮১.৪৯ | ৩১.০৭% | ৬৮.৯৩% |
| ২০১৫-১৬ | ১২২৬৫.৩৫ | ২৯৬০৯.৬৩ | ৪১৮৭৪.৯৮ | ২৯.২৯% | ৭০.৭১% |

(উৎস ঃ ২০১৪-১৫ বৰ্ষ পৰ্যন্ত মহাগাণনিকৰ বিত্তীয় হিচাপ আৰু ২০১৫-১৬ এল ই মন্ত্ৰণালয়, পি এফ এম এছ আৰু চি টি এম আই এছ অনুসৰি)

**২.৩.৭** রাজ্যৰ আৱকাৰী ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত তলত দেখুওৱা মতে বিগত তিনি বছৰত ৬১০.২৬ কোটি টকাৰ পৰা ৮০৭.৮৭ কোটি টকালৈ বৃদ্ধি হোৱা ৰাজহ সংগ্ৰহৰ পৰিমাণে ৰাজ্যখনৰ আকাৰ আৰু ইয়াত সেৱন কৰা কৰযোগ্য সামগ্ৰীৰ পৰিমাণৰ তুলনাত যথেষ্ট কম পৰিমাণৰ ৰাজহ সংগ্ৰহ হোৱাটোকে স্পষ্টকৈ সূচাইছে। প্ৰশাসনীয় ব্যৱস্থাৰ উন্নীতকৰণৰ দ্বাৰা নীতি, আইন আৰু ৰাজহ সংগ্ৰহৰ পৰিমাণ কেইবাগুণে বৃদ্ধি কৰিব পৰাৰ যথেষ্ট থল আছে। পূৰ্বৰ চৰকাৰে এইক্ষেত্ৰত এক নিষ্ক্ৰিয় ভূমিকা পালন কৰিছিল আৰু সমগ্ৰ ব্যৱস্থাটোকে বিধ্বস্ত কৰি গ'ল।

**২.৩.৮** মূল্য সংযোজিত কৰৰ ক্ষেত্ৰত এইটো লক্ষ্য কৰা গৈছে যে ২০১৩-১৪ ৰ পৰা ২০১৫-১৬ বৰ্ষলৈ বিগত তিনি বছৰত ৰাজহ বৃদ্ধিৰ পৰিমাণে আনকি একক সংখ্যাৰ ঘৰেই অতিক্ৰম কৰিব পৰা নাছিল তৎসত্বেও ৰাজ্যচৰকাৰে কোনো জৰুৰী পদক্ষেপ গ্ৰহণ কৰা নাছিল। উল্লেখযোগ্য যে মূল্য সংযোজিত কৰ হৈছে ৰাজ্যৰ ৰাজকোষৰ বাবে ৰাজহ আহৰণৰ প্ৰধান উৎস।

**২.৩.৯** যান-বাহন কৰ, বন, খনিজ পদাৰ্থ আদিৰ পৰা লাভ কৰা ৰাজহৰ বৃদ্ধিৰ ধৰণে এইটোকেই স্পষ্টভাৱে প্ৰকাশ কৰে যে ৰাজহৰ পৰিমাণ বৃদ্ধিৰ বাবে বিগত পোন্ধৰ বছৰত কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হোৱা নাছিল।

তালিকা নং ৭ ৰাজ্যৰ নিজা ৰাজহৰ প্ৰকৃত প্ৰাপ্তিৰ প্ৰায় স্থবিৰ ধাৰা (কোটি টকাৰ হিচাপত)

| শিতান | ২০১৩-১৪* | | ২০১৪-১৫* | | ২০১৫-১৬** | |
|---|---|---|---|---|---|---|
| | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি |
| ৰাজ্যৰ নিজস্ব কৰ ৰাজহ, যাৰ | **৮৯৮৩.৭৭** | **৮৯৯৪.৯২** | **১১৩৪৫.৪৩** | **৯৪৪৯.৮১** | **১২৮৯২.৩৯** | **১০০৭৭.২৬** |
| ভূমি ৰাজহ | ১৪০.৩৪ | ১৫৫.৬৫ | ২০১.৬৪ | ১৪২.৩২ | ২২৪.১৪ | ২২৯.৪৭ |
| আবকাৰী শুল্ক | ৬০৯.০৫ | ৬১০.২৬ | ৭৬৩.৭২ | ৬৬৪.৯৯ | ৮৭৮.৭৭ | ৮০৭.৮৭ |
| বিক্ৰী কৰ | ৬৮৩৫.০৫ | ৬৮৪৮.০১ | ৮৩৬৭.৫০ | ৭৩৫১.২৫ | ৯৮১০.৫৫ | ৭৫২৪.১৯ |
| যান-বাহন কৰ | ৩৬৫.৩৮ | ৩৫১.১১ | ৪৪১.৩১ | ৩৬৪.৫৩ | ৫০৫.৫৯ | ৪২০.৯৫ |
| সামগ্ৰী আৰু যাত্ৰী ওপৰত কৰ | ৪৮২.১১ | ৪১৩.৮৯ | ৫০৪.২৭ | ৩৯৬.৯৪ | ৫৯৫.৯৯ | ৫৮৩.৭৪ |
| ৰাজ্যৰ নিজস্ব কৰ বহিৰ্ভূত ৰাজহ, যাৰ | **৩৪০০.৩৩** | **২৭০৫.০৩** | **৪২৯৮.২৫** | **২৪১২.৮৯** | **৪৩২৫.৮৪** | **২১৮৮.০৯** |
| সূত প্ৰাপ্তি | ৫৪৪.৯০ | ৪১৮.৬১ | ৬২৮.৬৩ | ৩১৩.৯৯ | ৫১৫.৭৬ | ৮.৮৬ |
| লাভ্যাংশ আৰু লাভ | ১৫.৬২ | ১২.০৫ | ১৪.৩৯ | ১৬.২৩ | ১৪.৮৪ | ৭০.০৬ |
| পেট্ৰ'লিয়াম | ২২৮৫.০৯ | ১৭৯১.৩১ | ৩২০০.০২ | ১৪২১.১৫ | ৩২০০.০৬ | ১৬৭২.০৩ |
| বন আৰু বন্যপ্ৰাণী | ১৯৫.১৭ | ১০০.৯২ | ১৩৬.২২ | ১১৫.৯৯ | ১২৪.৩৪ | ৬১.২০ |
| ৰাজ্যৰ নিজা ৰাজহ | **১২৩৮৪.১০** | **১১৬৯৯.৯৫** | **১২৬৪৩.৬৮** | **১১৮৬২.৭০** | **১৭২১৮.২৩** | **১২২৬৫.৩৫** |

উৎস ঃ * মহাগাণনিকৰ বিত্তীয় গণনা আৰু ** CTMIS

**২.৩.১০** ৰাজ্যচৰকাৰে যিহেতু লক্ষ্য নিৰ্দ্ধাৰণ কৰা অনুযায়ী ৰাজহ সৃষ্টি নিশ্চিত কৰাটোত গুৰুত্ব নিদিলে সেইবাবে বাজেটত প্ৰতিফলিত হোৱা ৰাজহৰ লক্ষ্য প্ৰাপ্তিৰ বাৰ্ষিক কাম-কাজ কেৱল কাগজতহে আৱদ্ধ হৈ থাকিল।

**২.৩.১১** ইয়াৰ পৰা এইটো বুজা যায় যে. ৰাজ্য চৰকাৰে বাৰে বাৰে কেন্দ্ৰৰ দুৱাৰদলিত থিয় হৈ কেবালানিও স্মাৰক-পত্ৰ দাখিল কৰাতেই ব্যস্ত থাকি আভ্যন্তৰীণ সম্পদসৃষ্টিৰ প্ৰক্ৰিয়া শক্তিশালী কৰি অজ্ঞাত হৈ থাকিল।

অনস্বীকাৰ্য যে, চৰকাৰৰ সকলোবোৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰাকৈ ৰাজ্যৰ সম্পদসমূহ পৰ্যাপ্ত নাছিল। কিন্তু আভ্যন্তৰীণ ৰাজহ সৃষ্টিৰ ২০-২৫ শতাংশ হাৰত নিয়মীয়া বৃদ্ধিয়ে প্ৰতিবছৰে ৩০০০-৪০০০ কোটি টকালৈ সকাহ দিলেহেতেন আৰু ৰাজ্যখনৰ বিকাশ আৰু নিয়োগৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব পৰাকৈ মূলধনী ব্যয় ৰূপে খৰছ কৰিব পৰা গ'লহেতেন। এই সন্ধিক্ষণত একে আকাৰৰ ৰাজ্যসমূহৰ সৈতে অসমৰ স্থান তুলনা কৰি বোৰাটো এইক্ষেত্ৰত উপযোগী হ'ব।

তালিকা-৮ ত বিগত পাঁচ বছৰত প্ৰাক্কলিত সম্পদ আৰু প্ৰকৃত প্ৰাপ্তিৰ এক তুলনা (কোটি টকাৰ হিচাপত)

| শিতান | ২০১১-১২* | | ২০১২-১৩* | | ২০১৩-১৪* | | ২০১৪-১৫* | | ২০১৫-১৬ | |
|---|---|---|---|---|---|---|---|---|---|---|
| | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি | বাজেট প্ৰাককলন | প্ৰকৃত প্ৰাপ্তি |
| কেন্দ্ৰীয় কৰৰ অংশ | ৯৫৭২.৭৭ | ৯২৮৩.৫৩ | ১১০০৮.৬৯ | ১০৬০১.২৬ | ১২৬২১ | ১১৫৭৫ | ১৪১০৫ | ১২২৮৪ | ১৬৬৬৭ | ১৬৭৮৫** |
| ৰাজ্যৰ নিজস্ব কৰ ৰাজহ | ৬৫৬৫.৯৩ | ৭৬৩৮.২৪ | ৮০০৯.২৩ | ৮২৫০.২১ | ৮৯৮৪ | ৮৯৯৫ | ১১৩৪৫ | ৯৪৫০ | ১২৮৯২ | ১০০৭৭*** |
| ৰাজ্যৰ নিজস্ব কৰ বহিৰ্ভূত ৰাজহ | ৩৩২৫.৯৬ | ২৮৬৬.৭৬ | ৩৪৮৭.৪৭ | ২৪৭৩.৫৯ | ৩৪০০ | ২৭০৫ | ৪২৯৮ | ২৪১৩ | ৪৩২৬ | ২১৮৮*** |

উৎস ঃ * মহাগাণনিকৰ বিত্তীয় গণনা; **বিত্ত মন্ত্ৰালয়ৰ ৱেবচাইট আৰু *** CTMIS অনুসৰি

**২.৩.১২** অসমৰ সৈতে একে আকাৰৰ ৰাজ্যসমূহে ৰাজহ উপাৰ্জনৰ ক্ষেত্ৰত অসমৰ তুলনাত বেছি ৰাজহ সংগ্ৰহ কৰে। যিসময়ত ২০১৩-১৪ বৰ্ষত ছত্ৰিশগড়, কেৰালা আৰু ওড়িশাই যাথাক্ৰমে ২৫৪৯ কোটি, ১৯৪১ কোটি আৰু ১৭৮০ কোটি ৰাজ্যিক আৱকাৰী ৰাজহ উপাৰ্জন কৰিছে, অসমে এই পৰিমাণৰ ৰাজহৰ প্ৰায় ২৫ শতাংশৰ পৰা ৩৫ শতাংশহে সংগ্ৰহ কৰিছে। আনকি হিমাচল প্ৰদেশৰ দৰে অসমতকৈ সৰু ৰাজ্য এখনে এই বৰ্ষত ৯৫২ কোটি টকা ৰাজ্যিক আৱকাৰী ৰাজহ হিচাপে সংগ্ৰহ কৰিছে, যিটো অসমে উপাৰ্জন কৰা ৰাজহতকৈ ৩০ শতাংশ অধিক আছিল। ৰাজহ সংগ্ৰহৰ অন্যান্য ক্ষেত্ৰসমূহতো ৰাজ্যখনৰ প্ৰদৰ্শন অস্বাভাৱিকভাৱে নিম্ন। ই এই কথাই প্ৰতীয়মান কৰে যে ৰাজ্য চৰকাৰখনে বিগত ১৫ বছৰত ৰাজ্যখনৰ ৰাজহ অৰ্জনৰ ব্যৱস্থাটো শক্তিশালী কৰিবলৈ যথোচিত পদক্ষেপ গ্ৰহণ কৰা নাছিল আৰু ইয়াৰ ছিদ্ৰসমূহ দূৰ কৰাত ব্যৰ্থ হৈছিল।

তালিকা নং ৯ ঃ অসম আৰু একে আকাৰৰ ৰাজ্যসমূহৰ দ্বাৰা সংগৃহীত ৰাজহৰ তুলনাত (২০১৩-১৪ বৰ্ষত আৰু কোটিৰ টকাৰ হিচাপত)

| শিতান | অসম | ছত্তিশগড় | উত্তৰাখণ্ড | কেৰেলা | ওড়িশা | ঝাৰখণ্ড | হিমাচল প্ৰঃ |
|---|---|---|---|---|---|---|---|
| যান-বাহন কৰ | ৩৫১ | ৬৫১ | ৩৬৯ | ২১৬১ | ৮৬০ | ৪৯৫ | ২০৮ |
| সামগ্ৰী আৰু যাত্ৰীৰ ওপৰত কৰ | ৪১৪ | ৯৪৬ | - | - | ১৬১৪ | ১০৮ | ১০৫ |
| ৰাজ্যিক আবকাৰী | ৬১০ | ২৫৪৯ | ১২৭০ | ১৯৪১ | ১৭৮০ | ৬২৭ | ৯৫২ |

(উৎস ঃ এন আই পি এফ পি, বিত্ত মন্ত্ৰালয় নতুন দিল্লী)

**২.৩.১৩.** এইটোও দেখা গৈছে যে বৰ্দ্ধিত ৰাজহৰ বাবে ৰাজ্য চৰকাৰে কোনো প্ৰধান নীতি সম্পৰ্কীয় পদক্ষেপ, সংস্কাৰ (মূল্য সংযোজিত কৰাৰ বাবে কেন্দ্ৰই গ্ৰহণ কৰা সংস্কাৰৰ বাহিৰে) নাইবা বিধায়িনী প্ৰশাসনীয় বা নিয়ামক যন্ত্ৰটোক পৰীক্ষা কৰাৰ বাবে কোনো পদক্ষেপ হাতত লোৱা নাছিল। কৰ ফাকিৰ দ্বাৰা কেতবোৰ

সুৰুঙা থকাৰ বিষয়ে তথা চৰকাৰৰ ভিতৰত আৰু বাহিৰত কেতবোৰ অসাধু চক্ৰৰ মাজত সাম্ভাব্য অসৎ বুজাপৰা থকা বুলি বাতৰি প্ৰকাশ পাইছিল।

**৩. চতুৰ্দশ বিত্ত আয়োগৰ সন্মুখত নিষ্প্ৰভ উপস্থাপনৰ বাবে ৰাজহ লোকচান (এফ এফ চি) ঃ**

**৩.১.** এইটো দেখা গৈছে যে ২০১০-২০১৫ বিত্তীয় বৰ্ষৰ কালছোৱাত ত্ৰয়োদশ বিত্ত আয়োগৰ পৰা কেৱল ৩০০ কোটি টকাৰ উদগনিমূলক অনুদান লাভ কৰাৰ বাবে অতীতত ৰাজহ ৰাহি কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছিল। পিছৰ বিত্ত আয়োগৰ দ্বাৰা ইয়াক নথিভুক্ত কৰা হৈছিল যিটোৱে ২০১৫-২০ বিত্তীয় বৰ্ষৰ কালছোৱাত অতি সামান্য পৰিমাণে ৩৩৭৯ কোটি টকাৰ ৰাজহ ঘাটি মঞ্জুৰি লাভ কৰাৰ ক্ষেত্ৰত অনুমোদন পাইছিল।

**৩.২** কিন্তু চতুৰ্দশ বিত্ত আয়োগৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহ আৰু পাহাৰীয়া ৰাজ্যসমূহক শকত অনুদান প্ৰদান কৰা হৈছিল। ২০১৫-২০২০ বৰ্ষৰ সময়ছোৱৰ বাবে নাগালেণ্ড, মিজোৰাম, মণিপুৰ, হিমাচল প্ৰদেশ তথা জন্মু আৰু কাশ্মীৰে যথাক্ৰমে ১৮৪৭৫ কোটি, ১২১৮৩ কোটি, ১০২২৭ কোটি, ৪০৬২৫ কোটি আৰু ৫৯৬৬৬ কোটি টকাৰ অনুদান লাভ কৰিছে।

**৩.৩** এইদৰে ৩০০ কোটি টকাৰ উদগণিমূলক মজুৰি লাভ কৰিবলৈ লোৱা উপৰোক্ত কৌশলৰ ফলত চতুৰ্দশ বিত্ত আয়োগৰ জৰিয়তে চলিত পাঁচ বছৰীয়া কালছোৱাত ৰাজ্যখনে বুজন পৰিমাণৰ অনুদান লাভৰ পৰা বঞ্চিত হৈছে।

**৪. ৰাজ্যিক বিত্তৰ সাম্প্ৰতিক পৰিস্থিতি— নিঃস্ব আৰু ৰিক্ত**

**৪.১. লেখানুদান বাজেট ২০১৬-১৭ ঃ** পূৰ্ববৰ্ত্তী চৰকাৰে দাখিল কৰা আৰু অসম বিধানসভাই ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহত ২০১৬-১৭ বৰ্ষৰ লেখানুদান বাজেট পাৰিত কৰাৰ পিছতেই এই চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত আমি ২০১৬-১৭ বৰ্ষৰ নিয়মীয়া বাজেট প্ৰস্তুত কৰিব লাগিব। সেইকাৰণে, ২০১৬-১৭ বৰ্ষৰ বাজেট প্ৰস্তুত কৰাৰ অৰ্থে আমি নিজকে সাজু কৰিবলৈ ২০১৫-১৬ বিত্তীয় বৰ্ষৰ শেষলৈ ৰাজ্যিক বিত্তৰ অৱস্থা অনুধাৱন কৰাৰ প্ৰয়াস কৰিছো।

**৪.২. দাখিল কৰিবলৈ বাকী থকা ব্যৱহাৰিক প্ৰমাণ পত্ৰ**

**৪.২.১.** অসমত আছে দীঘলীয়া সময়লৈ ব্যৱহাৰিক প্ৰমাণপত্ৰ দাখিল কৰিবলৈ বাকী থকা এনে এক আচৰিত পৰম্পৰা যিয়ে সমগ্ৰ ব্যৱস্থাটোৰ অভ্যন্তৰত থকা প্ৰত্যাহ্বানবোৰ প্ৰতিফলিত কৰে। ই হৈছে প্ৰচলিত হিচাপ পৰীক্ষণ প্ৰক্ৰিয়াৰ সৈতে সবলকৰণৰ ক্ষেত্ৰত সৃষ্টি হোৱা গুৰুত্বপূৰ্ণ সমস্যাৰ স্পষ্ট উদাহৰণ। ই প্ৰকৃততে যিকোনো সক্ৰিয় চৰকাৰী ব্যৱস্থাৰ বাবে এক নিয়মীয়া কাৰ্য। কিন্তু, পূৰ্ববৰ্তী চৰকাৰখনে এই সমস্যা সমাধান কৰাৰ লগতে প্ৰাতিষ্ঠানিক কাৰ্যপ্ৰণালী উন্নত কৰাত ব্যৰ্থ হৈছিল, যিটো এক চিন্তনীয় বিষয়।

**৪.২.২** ৩১ মাৰ্চ, ২০১৪ পৰ্যন্ত হিচাপৰ বাবে ধাৰ্য কৰা সময়ছোৱাত মহাগাণনিকৰ প্ৰতিবেদন মতে প্ৰায় ১১৮৩৪.২৪ কোটি টকাৰ ব্যৱহাৰিক প্ৰমাণ-পত্ৰ দাখিল কৰিবলৈ বাকী আছে। এতিয়া, নতুন চৰকাৰখনে এক সময় নিৰ্দিষ্ট পদ্ধতিৰে এই বিষয়টো সমাধান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে।

**৪.২.৩** পুঁজিৰ স্থিতিৰ ক্ষেত্ৰত ২০১৫-১৬ বৰ্ষৰ বাবে প্ৰকৃত হিচাপ পৰীক্ষণৰ তথ্য মহাগাণনিকৰ পৰা ২০১৬ৰ ছেপ্টেম্বৰৰ পিছতহে উপলব্ধ হ'ব। অৱশ্যে বিত্ত মন্ত্ৰালয়ৰ পি এফ এম এছ ৱেবছাইট, লেখানুদান বাজেট প্ৰতিবেদন, চি টি এম আই এছ আদি বিভিন্ন উৎসৰ পৰা প্ৰাপ্ত তথ্য মতে ৰাজ্যখনৰ বিত্তীয় অৱস্থা ঋণাত্মক দিশত আছিল।

**৪.৩ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশি**

**৪.৩.১** ২০১৫-১৬ বিত্তীয় বৰ্ষৰ শেষত বিত্তীয় অৱস্থা পৰ্যালোচনা কৰা হৈছে। কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনি হিচাপে ভাৰত চৰকাৰৰ পৰা পোৱা পুঁজিখিনি বিভাগবোৰলৈ মুকলি কৰি দিয়া হৈছিল। তদুপৰি যদি কিছু টকা ৰাজ্যৰ ৰাজকোষত পৰিকল্পিত ধন হিচাপে উপলব্ধ আছে, এই ধন বিভাগবোৰৰ আছুতীয়া আঁচনিবোৰৰ বাবে দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই পুঁজিখিনি হ'ল— এন ই চি, এন এল চি পি আৰ, ই এ পি (EAPs) আৰু আৰ আই ডি এফ ইত্যাদি আঁচনিৰ বাবে লাভ কৰা পুঁজি। কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাপ্ত কেন্দ্ৰীয় কৰ, ৰাজহ ঘাটি অনুদান (পৰিকল্পনা বহিৰ্ভূত) আৰু ৰাজ্যৰ নিজস্ব ৰাজহ ইত্যাদি পৰ্যালোচনা কৰি দৰমহা, পেঞ্চন, ঋণ আদায় ইত্যাদি প্ৰতিশ্ৰুতিবদ্ধ দেনাসমূহৰ পৰিশোধৰ উপৰিও উন্নয়নমূলক আঁচনিসমূহৰ বাবে পৰ্যাপ্ত ধনৰাশি উপলব্ধ কৰা হ'ব।

**৪.৩.২** তলৰ তালিকা ১০ত ৰাজহ প্ৰাপ্তি আৰু ব্যয়ৰ এটা আভাষে এইটো দেখুৱাইছে যে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ শেষৰ ফালে প্ৰায় ৩০০০ কোটি টকাৰ ঋণাত্মক পুঁজি আছে।

তালিকা ১০ ঃ ২০১৫-১৬ বৰ্ষৰ শেষৰ ফালৰ প্ৰাপ্তি আৰু ব্যয় (পৰিকল্পনাৰ বহিঃৰ্ভূত)ৰ আভাস (কোটি টকাৰ হিচাপত)

# ৰাজহ প্ৰাপ্তি আৰু ব্যয়

| শিতান | ২০১৫-১৬ (এল ই) |
|---|---|
| কৰ আৰু কৰ বহিৰ্ভূত ৰাজহ | ১২২৬৫ |
| কেন্দ্ৰীয় কৰৰ অংশ কেন্দ্ৰৰ পৰা পৰিকল্পনা | ১৬৭৮৫ |
| বহিৰ্ভূত অনুদান | ২১৯১ |
| মুঠ ধাৰ | ৪৫৪১ |
| সৰ্বমুঠ | ৩৫৭৮২ |

| শিতান | ২০১৫-১৬ (এল.ই) |
|---|---|
| দৰমহা আৰু পেঞ্চন | ২৩৩৩৭.৮৬ |
| ষষ্ঠ অনুসূচী এলেকা/এচ এফ চি মঞ্জুৰি দিয়া ইত্যাদি | ৩৪৬১.২০ |
| শক্তিখণ্ডলৈ উদগণি (ৰাজসাহায্য) আৰু অন্যান্য ৰাজসাহায্য | ৪৮০.০০ |
| অসম ৰাজ্যিক বিদ্যুৎ পৰিষদলৈ পেঞ্চন | ৬০০.০০ |
| মূলধন আৰু সুত পৰিষদলৈ পেঞ্চন | ৫৬৪৬.৯৬ |
| সানমিহলি (এম এল এ এল এ ডি, আদালত চলি থকা গোচৰ ইত্যাদি) | ২০০.০০ |
| সৰ্বমুঠ | ৩৩৭২৬.০২ |

ঘাটি ৩৫৭৮২ কোটি টকা বিয়োগ ৩৩৭২৬.০২ কোটি টকা
= ২০৫৬ কোটি টকা
কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিৰ ২০০০ কোটি টকাৰ মুঠ ৰাজ্যিক অংশ কোনোমতে পূৰণ কৰে।

২৯০০ কোটি
টকাৰ অন্যান্য দেনাৰ সৈতে; সেয়েহে
৩১-০৩-২০১৬ ত পুঁজিৰস্থিতি হৈছে ঋণাত্মক
দিশত ২৯০০ কোটি টকা

৪.৪ পূৰ্বৰ ৰাজ্যচৰকাৰখনে নিৰ্বাচনলৈ লক্ষ্য ৰাখি জনমুখী আঁচনিসমূহত ৰাজহুৱা ধন ব্যয় কৰিছিল আৰু প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনকেই উপায় হিচাপে গ্ৰহণ কৰিছিল।

৪.৫ ধেমাজী, ঢকুৱাখনা আৰু বৰাক উপত্যকাৰ দৰে ঠাইবোৰৰ ভিতৰুৱা অঞ্চলসমূহৰ উন্নয়নৰ বাবে লোৱা অঞ্চলভিত্তিক প্ৰকল্পসমূহ ৰূপায়ণ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। এনে অনুন্নত অঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নীত কৰাৰ লগতে উন্নয়নমূলক কাম-কাজবোৰ বৰ্তাই ৰাখিবলৈ নতুন চৰকাৰখন প্ৰতিজ্ঞাবদ্ধ। কিন্তু হাতত কোনো পুঁজি নথকাকৈ চৰকাৰে কিদৰে মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ ঘোষণা কৰিছিল সেয়া বুজাটো কঠিন। ইয়াৰ মুঠ ফলাফল এয়ে যে তালিকা-১১ত দেখুওৱা ধৰণে আমাৰ প্ৰায় ১৩৫৮ কোটি টকাৰ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশি আছে। চৰকাৰৰ এনে অবিবেচক ধাৰণাৰ ফলত এনে পৰিস্থিতিৰ সৃষ্টি হৈছে যে এফালে বিশেষ পেকেজৰ ঘোষণাই ৰাইজৰ আকাংক্ষা বৃদ্ধি কৰিছিল আনফালে পিছত সম্পদৰ অভাৱত সেই প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰাত ব্যৰ্থ হোৱাৰ বাবে চৰকাৰৰ প্ৰতি ৰাইজৰ আস্থা হ্ৰাস পাইছিল।

তালিকা ১১ ঃ মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজৰ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশি

| মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ | প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশিৰ পৰিমাণ (কোটি টকাত) |
|---|---|
| ঢকুৱাখনাত ১০০ কোটি টকা | ১০০.০০ |
| ধেমাজীত ১০০ কোটি টকা | ৩৮.২৯ |
| বৰাক উপত্যকাত ১০০০ কোটি টকা | ৭৯০.০০ |
| ২০১৬ চনৰ ১ জানুৱাৰী আৰু ১৫ আগষ্ট আদিত মুখ্যমন্ত্ৰীৰ ঘোষণা | ১৮০.০০ |
| সূতা, কম্বল বিতৰণ আৰু আন গাইগুটীয়া হিতাধিকাৰী আঁচনিৰ অধীনত অন্যান্য দেনা | ২৫০.০০ (প্ৰায়) |
| মুঠ | ১৩৫৮.২৯ |

(উৎস ঃ পৰিকল্পনা আৰু উন্নয়ন বিভাগ, অসম চৰকাৰ)

৪.৬ ইয়াৰ উপৰি, কেন্দ্ৰীয় চৰকাৰে বন্ধ কৰা আঁচনিসমূহৰ অধীনত আৰম্ভ কৰা আঁচনিসমূহ সম্পূৰ্ণ কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশিৰ পৰিমাণ হৈছে ১৪৬৯.৩৪ কোটি টকা। ইয়াৰ সবিশেষ তালিকা ১২ত দিয়া হৈছে।

তালিকা ১২ ঃ ভাৰত চৰকাৰে বন্ধ কৰা অনুদানৰ অসম্পূৰ্ণ কামৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশি (কোটি টকাৰ হিচাপত)

| ভাৰত চৰকাৰৰ অনুদানৰ ধৰণ | দেনা |
|---|---|
| বিশেষ পৰিকল্পনা সাহায্য (SPA) | ৫৮১.০০ |
| বিশেষ কেন্দ্ৰীয় সাহায্য (SCA) | ৮২৫.৪৫ |
| শিথিল বিশেষ কেন্দ্ৰীয় সাহায্য (Untied SCA) | ৪৪.৭৬ |
| বন্ধ কৰা চি এছ এছ (Delinked CSS) | ১৮.১৩ |
| মুঠ | ১৪৬৯.৩৮ |

(উৎস ঃ পৰিকল্পনা আৰু উন্নয়ন বিভাগ, অসম চৰকাৰ)

৪.৭ উপৰোক্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এইখন চৰকাৰে ২৯০০ কোটি টকাৰ প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশিৰ বোজা কঢ়িয়াইছে।

৪.৮ ইয়াৰ উপৰি, সেৱাৰত আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বাবে ২০১৬ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ নিয়মীয়া মৰগীয়া বানচ ১১৯% ৰ পৰা ১২৫% লৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰক চলিত বৰ্ষত ৯০০ কোটি টকাৰ প্ৰয়োজন।

৪.৯ তদুপৰি, সপ্তম অসম দৰমহা আয়োগে নিজস্ব পৰামৰ্শাৱলীৰ বাবে সম্প্ৰতি কাম অব্যাহত ৰাখিছে। পূৰ্বানুমান কৰা হৈছে যে, আয়োগে প্ৰতিবেদন দাখিল কৰাৰ পিছতেই দৰমহা সংশোধনৰ ব্যয় বহন কৰিবলৈ কেৱল চলিত বৰ্ষতেই প্ৰায় ৪৮০০ কোটি টকাৰ প্ৰয়োজন হ'ব। অৰ্থাৎ, নতুন চৰকাৰখনৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ অপৰিশোধিত ধনৰাশিৰ ঋণাত্মক উদ্বৃত্ত ধনৰ উপৰি কৰ্মচাৰীসকলক নিয়মীয়া মৰগীয়া বানচ আৰু নতুন দৰমহা সংশোধনৰ পিচত দিবলগীয়া মুঠ দেনাৰ পৰিমান হৈছে প্ৰায় ৮৬০০ কোটি টকা।

৪.১০ তাৰ পিছত সৰ্বশিক্ষা অভিযান, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান তথা অন্যান্য অভিযানৰ ৰাজ্যিক অংশৰ প্ৰায় ৩৮০ কোটি টকাৰ বকেয়াকে ধৰি বৰ্ষটোত কেন্দ্ৰীয় আঁচনিসমূহৰ ৰাজ্যিক অংশ মুকলি কৰি দিয়াৰ বাবে প্ৰায় ২০০০ কোটি টকাৰ প্ৰয়োজন।

৪.১১ ইয়াৰোপৰি ৰাজ্যখনৰ সম্পদৰ স্থিতিলৈ লক্ষ্য নকৰি আৰু ৰাজহ বৃদ্ধিৰ বাবে কোনো গুৰুত্বপূৰ্ণ প্ৰচেষ্টা নচলাই, গড়কাপ্তানী বিভাগে যোৱা কিছু বছৰত বৃহৎ পৰিমাণৰ কাম-কাজ হাতত লৈছিল। গড়কাপ্তানী বিভাগে দাখিল কৰা হিচাপ অনুযায়ী ৩১ মে ২০১৬ পৰ্যন্ত বিভাগটোৰ অপৰিশোধিত দেনাৰ পৰিমাণ হৈছে ১০৩৯.৩০ কোটি টকা (পৰিকল্পনা শিতানত ৮২৩.৮৫ কোটি টকা আৰু পৰিকল্পনা বহিৰ্ভূত শিতানত ২১৫.৪৫ কোটি টকা।

৪.১২ উপৰোক্ত পশ্বাদপটত হিচাপ-নিকাচৰ এক গভীৰ খতিয়ান লোৱাৰ পিছত নতুন চৰকাৰখনে অনুভৱ কৰিছে যে, ভৱিশ্যদৰ্শন দস্তাবেজ ২০১৬-২০২৫ ত নিৰ্দ্ধাৰণ কৰা এলানি ব্যৱস্থাৱলী ৰূপায়নেৰে ৰাজ্যখনৰ বাবে উন্নয়নমূলক কাৰ্যসূচীৰ বিষয়ে চিন্তা কৰাৰ পূৰ্বে নিম্নোক্ত ১০,০০০ কোটি টকাতকৈও অধিক পৰিমাণৰ অপৰিশোধিত দেনাৰ পৰিশোধৰ দায়িত্ব ল'ব লাগিব।

৪.১৩ সামৰণিত, ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ দেনাসমূহ তলত দিয়া ধৰণৰ ঃ

| | | |
|---|---|---|
| **ক)** | মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ/ঘোষণা — | ১৩৫৮.২৯ কোটি টকা |
| **খ)** | এছ পি এ (SPA) ইত্যাদিৰ পৰা আৰম্ভ কৰা আঁচনিসমূহ — | ১৫৪১.৩৪ কোটি টকা |
| **গ)** | ১-১-২০১৬ ৰ পৰা কাৰ্যকৰী হোৱাকৈ কৰ্মচাৰীসকলৰ — বাবে নিয়মীয়া মৰগীয়া বানচ | ৯০০.০০ কোটি টকা |
| **ঘ)** | ২০১৬-১৭ বৰ্ষৰ দৰমহা সংশোধনৰ বাবদ— | ৪৮০০.০০ কোটি টকা |
| **ঙ)** | কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ ৰাজ্যিক অংশৰ মুকলি — কৰিবলগা পূৰ্বৰ দেনা | ৩৮০.০০ কোটি টকা |
| **চ)** | ৩১-০৫-২০১৬ তাৰিখ পৰ্যন্ত গড়কাপ্টানী বিভাগৰ — অপৰিশোধিত দেনা | ১০৩৯.৩০ কোটি টকা |
| | **মুঠ দেনা** | **১০,০১৮.৯৩ কোটি টকা** |

## ৫ সকলোধৰণৰ প্ৰতিকূলতা নেওচি সৃষ্টিৰ নতুন প্ৰয়াস

৫.১ উপৰোক্ত দফাসমূহত বৰ্ণিত পৰ্বতসম কৰ্মভাৰৰ সত্বেও মাননীয় মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱালৰ উদ্যমী নেতৃত্বাধীন এই নতুন চৰকাৰখনে বিশ্বাস কৰে যে - 'কোনো কৰ্ম নিজে নিজে নহয়; কৰ্মবোৰ সম্পাদনহে কৰিব লাগে' (Things do not happen; Things are made to happen)। বিজেপিৰ অসম ভৱিষ্যদৰ্শন দস্তাৱেজ ২০১৬-২০২৫ ত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে ই ৰাজ্যখনক সম্ভাৱনীয়তাৰে পৰিপূৰ্ণ হিচাপে গণ্য কৰে আৰু এই অফুৰন্ত সম্ভাৱনাক বাস্তৱলৈ ৰূপান্তৰিত কৰাৰ অৰ্থে ই আন্তৰিকতাৰে কৰ্ম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

৫.২ ভাৰতীয় জনতা পাৰ্টীৰ ভৱিষ্যদৰ্শন দস্তাৱেজত বহু আগেয়েই এই সম্পৰ্কে মূল্যাংকন কৰা হৈছিল যে কেন্দ্ৰৰ পৰা লাভ কৰা অনুদানৰ উপৰিও ৰাজ্যখনে নিজস্ব ৰাজহৰ উৎসও সৃষ্টি কৰিব লাগিব আৰু সেয়ে 'বিত্তৰ উৎস' সন্দৰ্ভত এপৃষ্ঠাজোৰা ন-টাকৈ দফা উল্লেখ হৈছিল। তলত ইয়াৰ সাধাৰণ উদ্ধৃতি কৰা হ'ল ঃ

**বিত্তৰ উৎস**

- ৰাজহৰ আভ্যন্তৰীন কাৰ্যপ্ৰণালী সবল কৰি তোলা হ'ব আৰু ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত থকা সকলো সুৰুঙা বন্ধ কৰা হ'ব।
- কেন্দ্ৰীয় চৰকাৰৰ অনুকৰণত অসমতো সামগ্ৰী আৰু সেৱা কৰ (GST) কাৰ্যপ্ৰণালী প্ৰৱৰ্ত্তন কৰা হ'ব।
- দুৰ্নীতিমুক্ত ৰাজনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাই যথেষ্ট পৰিমানৰ ৰাজহ সংগ্ৰহত অৰিহণা যোগাব যাক কল্যাণমূলক কাম-কাজত ব্যৱহাৰ কৰিব পৰা যাব।
- ৰাজ্যখনক বিশেষ শ্ৰেণীৰ মৰ্যদা প্ৰদানে আমাৰ আকাংক্ষিত প্ৰকল্পসমূহলৈ বিত্ত যোগান সম্ভৱ কৰি তুলিব।
- বাজেট ব্যৱস্থাত প্ৰকল্পসমূহ অন্তৰ্ভূক্ত কৰি প্ৰকল্পভিত্তিক বিত্ত যোগানৰ বাবে ভাৰত চৰকাৰৰ ওচৰ চপা হ'ব।
- কেন্দ্ৰত থকা বিজেপি চৰকাৰ যথেষ্ট সহায়ক হ'ব। উদাৰভাবে বিত্ত যোগানৰ বাবে নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ সমৰ্থনে আমাৰ লক্ষ্যপূৰণত সহায়ক হ'ব।
- ইয়াৰ উপৰি ৰাষ্ট্ৰৰ স্বাৰ্থ আপোচ নকৰাকৈ নিৰ্দিষ্ট প্ৰকল্পৰ বাবে এছীয় উন্নয়িনী বেংক, বিশ্ব বেংক, জাপান ইত্যাদি আন্তৰ্জাতিক বিত্ত প্ৰতিষ্ঠান আৰু দেশসমূহৰ ওচৰ চপা হ'ব। বজাৰৰ পৰা লোৱা যুক্তিসংগত ঋণে আমাক আঁচনিসমূহৰ বাবে বিত্ত যোগানত সহায় কৰিব।
- দুৰ্নীতি আৰু ত্ৰুটিপূৰ্ণ আৱণ্টন ব্যৱস্থাৰ ফলস্বৰূপে অসমত আবকাৰী ৰাজহৰ পৰিমাণ যথেষ্ট কম। আবকাৰী ৰাজহ সৃষ্টি সৰ্বাধিক কৰি তুলিবলৈ অসমৰ আবকাৰী নীতি পুনৰীক্ষণ কৰা হ'ব।
- পেট্ৰ'ল আৰু অন্যান্য সম্পদ থকা ভূমিত অসম চৰকাৰে উপকৰ আৰোপ কৰিছিল, কিন্তু এতিয়া এই আইনখনৰ বৈধতা সম্পৰ্কে উচ্চ ন্যায়ালয়ত প্ৰশ্ন তোলা হৈছে। এই আইনখন ৰূপায়ণ হোৱা হ'লে ৰাজহ সৃষ্টিত যথেষ্ট সহায়ক হ'লহেতেন। এই আইনখন যাতে ৰূপায়িত হয় তাৰ বাবে বিজেপিয়ে প্ৰচেষ্টা চলাব।

৫.৩ নতুন চৰকাৰৰ লক্ষ্য হ'ল অসমৰ কৃষ্টি-সংস্কৃতি আৰু অতিশয় উন্নীত ৰাজ্য হিচাবে প্ৰতিষ্ঠা কৰি 'সৰ্বশ্ৰেষ্ঠ অসম' গঢ়াৰ ভৱিষ্যত দৰ্শনৰ পৰিকল্পনা কৰা হৈছে। এই দিশত, চৰকাৰে আভ্যন্তৰীণ সম্পদ সৃষ্টিত

দৃঢ়তাৰে মনোনিৱেশ কৰিব যাতে ৰাজ্যখনৰ কৰ্মচাৰীৰ দৰমহা আৰু পেঞ্চন প্ৰদানৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পাৰে আৰু কেন্দ্ৰৰ পৰা প্ৰেৰিত পুঁজি যাতে সম্পূৰ্ণভাৱে উন্নয়নমূলক কামত ব্যৱহাৰ কৰিব পৰা হয়।

৫.৪ এনে এক প্ৰত্যাহ্বানমূলক সময়ত সম্পদৰ আহৰণৰ বাবে কেন্দ্ৰৰ পৰা বিশেষ ৰাজ্যৰ মৰ্যাদা হিচাপে ৰাজ্যখনলৈ সম্ভৱপৰ সকলোধৰণৰ সাহায্য লাভৰ বাবে দৃঢ়ভাৱে চেষ্টা কৰা হ'ব।

৫.৫ ৰাজ্যখনক স্বাধীনতাৰ পূৰ্বৰ দৰে এক সম্পদশালী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ সংকল্পৰে ReSTART Assam আঁচনিৰ জৰিয়তে ৰাজ্যৰ সম্পদসমূহৰ একত্ৰীকৰণৰ সংঘবদ্ধ প্ৰচেষ্টাক এক অভিযানৰূপে গঢ় দিয়া হ'ব।

**৬ ৰিষ্টাৰ্ট অসম (ৰূপান্তৰিত অসমৰ বাবে সম্পদ বৃদ্ধিৰ উদ্দেশ্যে ব্যৱস্থা আৰু প্ৰযুক্তিৰ পুনৰ গঠন)**

৬.১ ৰিষ্টাৰ্ট অসমৰ (ReSTART Assam) তলত দিয়া ধৰণে চতুৰ্মুখী কৰ্মআঁচনি থাকিব ঃ

ক) ভেটৰ পৰা ৰাজহ বৃদ্ধি, ৰাজ্যিক উৎপাদন শুল্ক, যান-বাহন কৰ, কৰ্ম আঁচনিৰ পুনৰ গঠন আৰু সংশোধনৰ দ্বাৰা বন আৰু তেলৰ ৰয়েলিটি আইন প্ৰণয়ন আৰু প্ৰশাসন।

খ) বহিঃসাহায্য প্ৰকল্প (ই এ পি) যোগেদি বহল পৰিসৰত অতিৰিক্ত সম্পদ সাধন। বিত্ত বিভাগে লীপ্‌চ (Lead EAPs) নামেৰে এক উৎসৰ্গিত শাখাৰ যোগেদি এই ঐক্যবদ্ধ আৰু সমন্বয়ৰে এই ব্যৱস্থাক পৰিচালিত কৰা হ'ব।

গ) বিশ্ববেংকে প্ৰদান কৰা পুঁজিৰে অসম ৰাজ্যিক ৰাজহুৱা বিত্ত প্ৰতিষ্ঠান সংশোধন প্ৰকল্প, (ASPIRe) হ'ল ৰাজহুৱা বিত্ত ব্যৱস্থাপনা উন্নীত কৰাৰ বাবে এক বহি সাহায্যপ্ৰাপ্ত প্ৰকল্প যিয়ে পৰিকল্পনা আয়োগৰ অৱলুপ্তিৰ পৰৱৰ্ত্তী দৃশ্যপটত বৃদ্ধি, বিকাশ আৰু নিয়োগৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডত বিনিয়োগক অগ্ৰাধিকাৰ প্ৰদান কৰিব।

ঘ) নূন্যতম মানৰ অংশগ্ৰহণৰ (Near zero Human Interface) দ্বাৰা ব্যাপকভাৱে তথ্য-প্ৰযুক্তি সক্ষমতা ব্যৱস্থা আৰু ৰাজহ সংগ্ৰহৰ সময়সাপেক্ষ নীৰিক্ষণ।

**৭ লীপ্‌চ (Lead EAPS)**

৭.১ বহিঃ সাহায্য প্ৰাপ্ত প্ৰকল্পৰ জৰিয়তে অতিৰিক্ত সম্পদ সম্পদ আহৰণত নতুন চৰকাৰৰ প্ৰধান গুৰুত্ব।

৭.২ লীপ্‌চ (Lead EAPS) নামেৰে এক উৎসৰ্গিত শাখা সৃষ্টিৰ জৰিয়তে বিত্ত বিভাগে এক ঐক্যবদ্ধ আৰু সমন্বয়ৰে কৰ্মসম্পাদনৰ প্ৰস্তাৱ লৈছে।

৭.৩ বিশ্ব বেংক, এচিয়ান ডেভলেপমেণ্ট বেংক (ADB), জাইকা (JICA) সহ ব্ৰিকচ্ বেংক, এচীয় আন্তঃগাথনি বিনিয়োগ বেংক (AIIB)ৰ লেখীয়া নতুন উৎসকে ধৰি বহিঃ সাহায্যপ্ৰাপ্ত সন্থাসমূহৰ সৈতে এক সমণ্বয়ৰ আধাৰ হৈ কাম কৰিব।

৭.৪ বিভাগ আৰু চৰকাৰৰ উচ্চ পৰ্যায়ৰ নেতৃত্বত কমিটি গঠন কৰি ই এ পি এচ (EAPs)ৰ প্ৰগতি নিৰীক্ষণ আৰু পুঁজিৰ সুষম ধাৰা সুনিশ্চিত কৰিব।

৭.৫ ৰাজ্যখনত বৰ্তমানে ১৮ টা বহিঃ সাহায্য প্ৰকল্প ৰূপায়নৰ কাম বিভিন্ন পৰ্যায়ত আছে। অহা কেইবছৰত নতুন চৰকাৰে বিশেষ গুৰুত্বৰে পুঁজি প্ৰতিষ্ঠানৰ পৰা অতিৰিক্ত সম্পদ আহৰণেৰে আৰু বহুতো প্ৰকল্পৰ কাম হাতত ল'ব। এই ক্ষেত্ৰত ব্ৰিকচ বেংক, এ আই আই বি আদিৰ দৰে নতুন বিত্তীয় প্ৰতিষ্ঠানৰ কাষ চপা হ'ব।

## ৮ খাৰুৱা তেলৰ ৰাহি ৰয়েল্টি আৰু নিৰ্দিষ্ট কৰা ভূমি কৰৰ দ্বাৰা সম্পদ আহৰণ

**৮.১** আভ্যন্তৰীণ ৰাজহ সংগ্ৰহ বৃদ্ধি কৰাৰ বাবে খাৰুৱা তেলৰ ৰয়েল্টীৰ বাবদ পাব লগা ধন দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ কৰিব আৰু প্ৰয়োজন সাপেক্ষে ইয়াৰ আওতাধীন সংশ্লিষ্ট আদালতৰ পৰা আদেশ লোৱাৰ ব্যৱস্থা কৰিব।

**৮.২** দ্বিতীয়তে, খাৰুৱা তেল আৰু গেছ উৎপাদন হোৱা ভূমিসমূহৰ পৰা কৰ সংগ্ৰহৰ বাবে আদালতৰ সহায় লৈ আৰু একেসময়তে ৰাজহুৱা খণ্ডৰ অনুষ্ঠানৰ সহযোগত ৰাজ্য চৰকাৰে অসম কৰ (বিশেষ ভূমি) আইন ১৯৯০ (অসংশোধিত ০১-০১-২০০৫) খন ৰূপায়ণ কৰাতো নিশ্চিত কৰিব।

## ৯ সামৰণি

**৯.১** ওপৰোক্ত সকলোবোৰৰ পৰা এইটো পৰিষ্কাৰ যে প্ৰায় ১০,০০০ কোটিৰ এক চৰম ঋণাত্মক বিত্তীয় পৰিস্থিতিত পৰা নতুন চৰকাৰখনে যাত্ৰা আৰম্ভ কৰিব লাগিব। কিন্তু এনে নেতিবাচক পৰিস্থিতিৰ প্ৰতি ইতিবাচক পদক্ষেপেই ৰাজ্য চৰকাৰখনৰ শক্তি। বৰ্তমানৰ চৰকাৰে বিশ্বাস কৰে যে 'ইতিবাচক দৃষ্টিভংগীয়েই ইতিবাচক ফলাফল আনে' বিশেষকৈ যেতিয়া প্ৰতিজন নাগৰিকেই চৰকাৰৰ সহযোগী হৈ পৰে। নতুন মন্ত্ৰী পৰিষদখনে নতুন উদ্যমেৰে ৰাজ্যচৰকাৰৰ সকলো কৰ্মচাৰী, উদ্যোগপতি, সংবাদজগত আৰু সমাজৰ সকলোকে একেলগে জড়িত কৰি আগবাঢ়ি যাব খুজিছে। বিকাশ, উন্নয়ণ আৰু নিয়োগৰ বাবে গ্ৰহণ কৰা শাসন ব্যৱস্থাত সামগ্ৰিক আৰু সহযোগিতাৰ প্ৰকৃত ৰূপ প্ৰতিফলিত হয়।

**৯.২** অসম ভিজন ২০১৬-২০২৫ ৰ তথ্যৰাজিৰ দৰে অতি গুৰুত্ব সহকাৰে ৰাজ্যখনক বিকাশৰ বিভিন্ন স্তৰলৈ ৰূপান্তৰ কৰাৰ বাবে এই যাত্ৰাত ৰাজ্যখনৰ সকলো নাগৰিকৰে সহযোগিতা, দিহা-পৰামৰ্শ আৰ্শীবাদ নতুন চৰকাৰে কামনা কৰিছে। ৰাজ্যখনৰ জনসাধাৰণক জনাদেশৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি 'সুৰক্ষিত অসম, বিকশিত অসম' আৰু 'সৰ্বশ্ৰেষ্ঠ অসম' পুনৰ নিৰ্মাণৰ বাবে এই চৰকাৰ বদ্ধপৰিকৰ।

- - - - -